স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বার্তা

পঞ্চম বছৰ □ সংখ্যা ৮৯ □ বৃহস্পতিবাৰ □ ২০ জেঠ ১৯৩৭ শক □ ৪ জুন ২০১৫ চন □ THURSDAY 4 JUNE 2015 (উত্তৰ অসম সংস্কৰণ/NORTH ASSAM ED

## আই চি এছ আইৰ কেপিটেল মাৰ্কেটছ সপ্তাহ উদ্‌যাপন

**ইনষ্টিটিউট** অৱ কোম্পানী ছেক্ৰেটেৰিজ অৱ ইণ্ডিয়াৰ (আই চি এছ আই) উদ্যোগত কেপিটেল মাৰ্কেটছৰ ওপৰত বিনিয়োগকাৰীসকলৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু উৎকৃষ্ট প্ৰশাসনিক ক্ৰিয়া-কলাপক উৎসাহ যোগোৱাৰ উদ্দেশ্যে অলপতে সাতদিনীয়াকৈ কেপিটেল মাৰ্কেটছ দ্য ইঞ্জিন ফৰ ইক'নমিক গ্ৰ'থ শীৰ্ষক আই চি এছ আই কেপিটেল মাৰ্কেটছ উদযাপন কৰা হয়। এই উদ্দেশ্যেৰে গুৱাহাটীত অলপতে এক মেগা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আই চি এছ আইৰ অধ্যক্ষ চি এছ অতুল মেহতাই ভাষণত কয় যে কোম্পানী ছেক্ৰেটাৰীসকলে এক সময়সীমাৰ ভিতৰত বৃত্তিগত বিকাশ কৰিবলগীয়া হয়। তেওঁ আৰু কয়— কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ে আই চি এছ আইৰ তৰফৰ পৰা বিশেষীকৃত কৰি দিয়া ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ডত সঞ্চালকমণ্ডলী এছ এছ-১ৰ বৈঠক আৰু সাধাৰণ বৈঠক এছ এছ-২ক অনুমোদন কৰিছে। মেহতাই কয় যে ছেবি এছ ই বি আই এক্ট, ১৯৯২ৰ অন্তৰ্গত ছেবিৰ দ্বাৰা জাৰি কৰা বিভিন্ন সুৰক্ষামূলক আইন যেনে- ছিকিউৰিটিজ কণ্ট্ৰ'ল ৰেগুলেচন এক্ট, ১৯৫৬, ডিপ'জিট'ৰ্চ এক্ট-১৯৯৬, ৰেগুলেচন্স আৰু গাইডলাইন তথা ক্বিটিৰ বাবে ষ্টক এক্সেঞ্জৰ লিৰিটেংগ এগ্ৰিমেণ্ট, আই ডি আৰসমূহ অনুসৰি কোম্পানী ছেক্ৰেটেৰীসকলক




কোম্পানীসমূহৰ সত্যাপন আৰু প্ৰমাণ-পত্ৰ দিয়াৰ স্বীকৃতি প্ৰদান কৰিছে। আই চি এছ ইৰ অধ্যক্ষ মেহতাই কয় যে ইনষ্টিটিউটৰ বাবে জুলাই ২০১৫ৰ পৰা ঐতিহাসিক ক্ষণ আৰম্ভ হ'ব। ই বিশ্বৰ প্ৰথম এনে সংস্থান হ'ব যি ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ড প্ৰদান কৰাৰ ক্ষমতা লাভ কৰিব। ইয়াৰ লগে লগে ভাৰতৰ প্ৰায় ৮ লাখ কোম্পানীক কোম্পানী এক্ট-২০১৩ অনুসৰি ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ড নিৰীক্ষণ কৰাৰ অধিকাৰ লাভ কৰিব। আনহাতে, অনুষ্ঠানত ভাগ লয় অসমৰ মুখ্য সচিব জিতেচ খোছলা, আই চি এছৰ উপাধ্যক্ষ চি এছ মমতা বিনানী, শ্বেয়াৰ পাৰ্ছন চি এছ সুনীতা মহান্তি, শ্বেয়াৰ পাৰ্ছন চি এছ পংকজ জৈন, শুভ্ৰ ভৰালী, চি এ বিকাশ আগৰৱাল, এম এছ গুপ্তা, চি এছ সিদ্ধাৰ্থ মোৰাৰকা, মলয় বিশ্বাস আদি।